NSD NEWS BULLETIN
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

ooooooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত জামাইকাৰ প্ৰধানমন্ত্ৰী ড° এণ্ড্ৰিউ হ'লনেছৰ সৈতে বাৰ্তালাপত মিলিত হয়। দুয়োখন দেশে বিভিন্ন ক্ষেত্ৰত ৪ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আগন্তুক মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনত বিজেপি নেতৃত্বাধীন মহাযুটী ক্ষমতালৈ আহিব বুলি দাবী কৰিছে।

৩। জম্মু-কাশ্মীৰত আজি তৃতীয় তথা চূড়ান্ত পৰ্যায়ৰ বিধান সভাৰ নিৰ্বাচনৰ ভোটগ্ৰহণ আবেলি ৩ বজা পৰ্যন্ত ৫৬ শতাংশ ভোটদান সম্পন্ন হৈছে।

৪। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকৰ পৰা ৭ হাজাৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ বায়ুবীৰ বিজেতা কাৰ ৰেলী মুকলি কৰে। *আৰু*

৫। কানপুৰৰ গ্ৰীৰ্ণপাৰ্কত অনুষ্ঠিত দ্বিতীয়খন ক্ৰিকেট টেষ্ট মেছত ভাৰতে-বাংলাদেশক ৭ উইকেটত পৰাস্ত কৰি শৃংখলাটোত ২-০ ফলাফলেৰে জয়লাভ কৰিছে।

ooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত জামাইকাৰ প্ৰধানমন্ত্ৰী ড° এণ্ড্ৰিউ হ'লনেছৰ সৈতে বাৰ্তালাপত মিলিত হয়। প্ৰধানমন্ত্ৰী মোদীয়ে হায়দৰাবাদ হাউছত ড° হলনেছক আদৰণি জনায়। দুয়োখন দেশে আজি ডিজিটেল ৰাজহুৱা আন্তঃগাথনি, সাংস্কৃতিক বিনিময় আৰু ক্ৰীড়াৰ ক্ষেত্ৰত ৪ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এটা যৌথ প্ৰেছ বিবৃতিত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, জামাইকাৰ প্ৰধানমন্ত্ৰী ভ্ৰমণক ভাৰতে বিশেষ গুৰুত্ব প্ৰদান কৰিছে। মোদীয়ে লগতে কয় যে ভাৰত আৰু জামাইকাৰ সম্পৰ্ক, বিনিময়ৰ ইতিহাস গণতান্ত্ৰিক মূল্যবোধ আৰু জনসাধাৰণৰ মাজৰ শক্তিশালী সম্পৰ্কৰ ভেঁটিৰ দ্বাৰা গঢ় লৈ উঠিছে। মোদীয়ে লগতে কয় যে, ডিজিটেল ৰাজহুৱা আন্তঃগাথনি, ক্ষুদ্ৰ উদ্যোগ, জৈৱ ইন্ধন, উদ্ভাৱন, স্বাস্থ্য, শিক্ষা আৰু কৃষিক্ষেত্ৰত ভাৰতে জামাইকাৰ সৈতে নিজৰ অভিজ্ঞতা ভাগ বতৰা কৰিব। তেওঁ লগতে কয় যে, ভাৰতে প্ৰতিৰক্ষাৰ ক্ষেত্ৰত জামাইকা সেনাৰ প্ৰশিক্ষণ আৰু সামৰ্থ বিকাশৰ বাবে সহায় কৰিব। ড্ৰাগছ সৰবৰাহ, অপৰাধ আৰু সন্ত্ৰাসবাদৰ সন্দৰ্ভত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, এইবোৰ হৈছে উমৈহতীয়া প্ৰত্যাহ্বান আৰু দুইপক্ষই একেলগে এই প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হ'বলৈ সন্মত।

ooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আগন্তুক মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনত বিজেপি নেতৃত্বাধীন মহাযুটী ক্ষমতালৈ আহিব বুলি দাবী কৰিছে। আজি মুম্বাইত অনুষ্ঠিত এখন অধিবেশনত বিজেপিৰ বিষয়ববীয়া আৰু কৰ্মীসকলক সম্বোধন কৰি শ্ৰীশ্বাহে তেওঁলোকক যিকোনো হতাশা জোকাৰি পেলাবলৈ, সমীক্ষাত মনোনিবেশ নকৰিবলৈ আৰু আগন্তুক নিৰ্বাচনত দলৰ জয় নিশ্চিত কৰাৰ বাবে কাম কৰিবলৈ আহ্বান জনায়। গৃহমন্ত্ৰীগৰাকীয়ে বিজেপিৰ কৰ্মীসকলক ভোটাৰৰ হাৰ ১০ শতাংশ বৃদ্ধিৰ লক্ষ্য লবলৈ আহ্বান জনায়।

ooo

জম্মু-কাশ্মীৰত আজি তৃতীয় তথা চূড়ান্ত পৰ্যায়ৰ বিধান সভাৰ নিৰ্বাচনৰ ভোটগ্ৰহণ আবেলি ৩ বজা পৰ্যন্ত ৫৬ শতাংশ ভোটদান সম্পন্ন হৈছে। আমাৰ সংবাদদাতাই জানিবলৈ দিয়া অনুসৰি জনসাধাৰণে নিজৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰাৰ বাবে পুৱাৰে পৰা দীঘলীয়া শাৰী পতা পৰিলক্ষিত হৈছে। কটকটীয়া নিৰাপত্তা বেষ্টনিৰ মাজত ৭ খন জিলাৰ ৪০টা বিধানসভা সমষ্টিৰ বাবে ৫ হাজাৰ ৬০ টা কেন্দ্ৰত ৰাতিপুৱা ৭ বজাৰ পৰা ভোটদান অনুষ্ঠিত হয়। জম্মু অঞ্চলৰ জম্মু, কথুৱা, চাম্বা, উধমপুৰ আৰু কাশ্মীৰ উপত্যকাৰ কপোৱাৰা, ৱাৰামুলা আৰু বান্দিপাৰা জিলাত নিৰাপত্তা ব্যৱস্থা যথেষ্ট শক্তিশালী কৰা হৈছে। ভোটদাতাৰ বাবে প্ৰতিটো ভোটকেন্দ্ৰত ন্যূনতম মৌলিক সুবিধা সুনিশ্চিত কৰা হৈছে আৰু ভোটকেন্দ্ৰসমূহত ২০ হাজাৰতকৈ অধিক প'লিং বিষয়া নিয়োগ কৰা হৈছে। বিয়লি ৩ বজালৈকে জম্মু জিলাৰ চাম্ব বিধানসভা সমষ্টিত সৰ্বোচ্চ ৬৮

দশমিক ৩-১ শতাংশ আৰু অখনোৰ বিধানসভা সমষ্টিত ৬৬ দশমিক ২-৭ শতাংশ ভোটদান হয়। কাশ্মীৰ উপত্যকাত কাৰ্নাহ বিধানসভা ৫৬ দশমিক ৫-২ শতাংশ, ত্ৰেঘামত ৫২ দশমিক ৩-৩ শতাংশ, কপোৱাৰত ৪৮ দশমিক ৭- শতাংশ, লোলাবত ৫১ দশমিক ৭-৬ শতাংশ আৰু হেন্দুৱাৰাত ৫৯ দশমিক ১-১ শতাংশ ভোটদান সম্পন্ন হৈছে। কাশ্মীৰৰ বান্দিপুৰা জিলাৰ গুৰেশ বিধানসভা সমষ্টিত সৰ্বাধিক ৬৬ দশমিক ১-৭ শতাংশ, আৰু বাৰামুলা জিলাৰ চপুৰে বিধানসভা সমষ্টিত সৰ্বনিম্ন ৩৬ দশমিক ২-১ শতাংশ ভোটদান সম্পন্ন হয়। উল্লেখযোগ্য যে জম্মু-কাশ্মীৰত সংবিধানৰ ৩৭০ অনুচ্ছেদ  বাতিল কৰাৰ পাছত এয়াই হৈছে প্ৰথম  নিৰ্বাচন। ১৮ চেপ্তেম্বৰ আৰু ২৫ চেপ্তেম্বৰত অনুষ্ঠিত হোৱা প্ৰথম দুটা পৰ্যায়ত বিধানসভা নিৰ্বাচনত ৫৭ শতাংশতকৈ অধিক ভোটদান সম্পন্ন হয়। চলিত মাহৰ ৮ তাৰিখে ভোটগণনা কৰা হব।

০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকৰ পৰা ৭ হাজাৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ বায়ুবীৰ বিজেতা কাৰ ৰেলী মুকলি কৰে। এই কাৰ ৰেলী প্ৰথমে লাডাখৰ থৈছেত উপস্থিত হব। তাৰ পিছত ভাৰতীয় বায়ু সেনাৰ ৯২ সংখ্যক জয়ন্তী উপলক্ষে চলিত মাহৰ ৮ তাৰিখে আনুষ্ঠানিকভাৱে এই কাৰ ৰেলী অৰুণাচলৰ টাৱাঙলৈ প্লেগ অফ কৰা হ'ব। অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে  কয় যে, বায়ু বীৰ বিজেতা কাৰ ৰেলীৰ দ্বাৰা যুৱক-যুৱতীসকল অনুপ্ৰাণিত হ'ব আৰু বায়ু সেনাৰ বিষয়ে সজাগতা আৰু জ্ঞান বৃদ্ধি কৰিব। তেওঁ কয় যে, বায়ু সেনাৰ বিষয়াসকলে ৰাস্তাত ছাত্ৰ-ছাত্ৰীৰ লগত মত বিনিময় কৰিব যিয়ে সশস্ত্ৰ বাহিনীৰ প্ৰতি সন্মান আৰু মৰম অধিক বৃদ্ধি কৰিব। শ্ৰীসিঙে যুৱক-যুৱতীসকলক সশস্ত্ৰ বাহিনীৰ অংশ হৈ নিজৰ প্ৰতিভাক সঠিকভাৱে ব্যৱহাৰ কৰি সন্মান, গৌৰৱ আৰু দেশপ্ৰেমেৰে জীৱন-যাপন কৰিবলৈ আহ্বান জনায়।

এই বায়ু বীৰ বিজেতা কাৰ ৰেলী হৈছে ভাৰতীয় বায়ু সেনাৰ ৯২ বছৰীয়া যাত্ৰাৰ ইতিহাসৰ এটা প্ৰতীক। সাগৰপৃষ্ঠৰ পৰা ৩ হাজাৰ ৬৮ মিটাৰ উচ্চতাত থকা লাডাখৰ থৈছেৰ পৰা এই কাৰ ৰেলীৰ ফ্লেগ অফ কৰা হব। ২২ দিন ধৰি চলিবলগীয়া এই কাৰ ৰেলী ২৯ অক্টোবৰত অৰুণাচলৰ টাৱাঙত অন্ত পৰিব। এই বৃহৎ কাৰ ৰেলীত মহিলাসহ ৫২ গৰাকী বায়ু সেনা যোদ্ধা আৰু প্ৰাক্তন বায়ু সেনাৰ মুৰব্বীয়ে অংশগ্ৰহণ কৰিছে। লেহ, কাৰ্গিল, শ্ৰীনগৰ, জম্মু, চণ্ডিগড়, দেৰাডুন, আগ্ৰা, গোৰখপুৰ, দাৰভাংগা আৰু গুৱাহাটীকে ধৰি মুঠতে ৪ টা ঠাইত যুদ্ধবীৰসকলে বৈ বিভিন্ন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগত মত বিনিময় কৰিব। ৰাইজৰ মাজত ভাৰতীয় বায়ু সেনাৰ গৌৰৱময় ইতিহাসৰ বিষয়ে সজাগ কৰাই এই কাৰ ৰেলীৰ মুখ্য উদ্দেশ্য।

০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে বৰ্তমান সময়ত দৰিদ্ৰ আৰু ক্ষুদ্ৰ ব্যৱসায়ীসকলে ঋণ লাভ কৰাটো অতি সহজ হৈছে। তেওঁ জন-ধন যোজনাৰ বাবে এয়া সম্ভৱ হৈছে বুলি উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে ইটানগৰত আজি ঋণ প্ৰদান কৰা সন্দৰ্ভত আয়োজন কৰা এটা জন সজাগতা কাৰ্যসূচীত অংশগ্ৰহণ কৰি ভালেমান চৰকাৰী আঁচনিৰ হিতাধিকাৰীসকলক সম্বোধন কৰি এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বেংকৰ পৰা কোনো ধৰণৰ বন্ধক নোহোৱা আৰু নথি-পত্ৰৰ দীঘলীয়া প্ৰক্ৰিয়া নোহোৱাকৈ জনসাধাৰণক ঋণ প্ৰদান কৰাটো নিশ্চিত কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে ঋণ প্ৰদান কৰা সন্দৰ্ভত আয়োজন কৰা জনসজাগতা কাৰ্যসূচীয়ে সাধাৰণ লোকসকলক চৰকাৰৰ জনকল্যাণকাৰী আঁচনিসমূহৰ সুবিধাসমূহৰ সমীক্ষা কৰাৰ ক্ষেত্ৰত সহায় কৰে। শ্ৰীমতী সীতাৰমনে চৰকাৰৰ বিভিন্ন আঁচনিৰ অধীনত ১৬০ গৰাকী হিতাধিকাৰীক ঋণৰ অনুমোদন পত্ৰ প্ৰদান কৰে।

ইফালে, বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি ইটানগৰৰ ৰাজভৱনত অৰুণাচলৰ ৰাজ্যপাল লেফ্‌টেণেণ্ট জেনেৰেল কে টি পাৰনায়কক সাক্ষাৎ কৰে। সাক্ষাৎকালত ৰাজ্যখনৰ বিভিন্ন আঁচনি ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰা হয়।

০০০

অসম কেবিনেটে আজি উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৬০ শতাংশৰে উত্তীৰ্ণ হোৱা ছাত্ৰী আৰু ৭৫ শতাংশৰে উত্তীৰ্ণ হোৱা ছাত্ৰক ড০ বাণীকান্ত কাকতি বঁটাৰে স্কুটি প্ৰদান কৰাৰ সিদ্ধান্তত অনুমোদন জনায়। সৰ্বমুঠ ৪৮ হাজাৰ ৬৭৩ গৰাকী ছাত্ৰ-ছাত্ৰীক এই স্কুটি প্ৰদান কৰাৰ বাবে কেবিনেটে আজি অনুমোদন জনায়। ন্যায়ধীশ বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদন অসম বিধানসভাত দাখিল কৰাৰ প্ৰস্তাৱ আজিৰ এই কেবিনেটত সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০

শাসকীয় লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টীৰ নেতা চিগেৰু ইছিবাই জাপানৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ বাবে সাজু হৈছে আৰু নতুন কেবিনেট মন্ত্ৰীসকলৰ নাম ঘোষণা কৰিব। ইতিমধ্যে পূৰ্বৰ প্ৰধানমন্ত্ৰী ফুমিঅ' কিচিদাই তেওঁৰ ৩

বছৰীয়া কাৰ্যকালৰ অন্ত পেলাই আজি পুৰা পদত্যাগ পত্ৰ দাখিল কৰে। তেওঁ লগতে কেবিনেটৰ  বাকী মন্ত্ৰীসকলেও নিজৰ পদত্যাগ পত্ৰ দাখিল কৰে।

০০০

কানপুৰৰ গ্ৰীৰ্ণপাৰ্কত অনুষ্ঠিত দ্বিতীয়খন ক্ৰিকেট টেষ্ট মেছত  ভাৰতে-বাংলাদেশক ৭ উইকেটত পৰাস্ত কৰি শৃংখলাটোত ২-০ ফলাফলেৰে জয়লাভ কৰিছে। বৰষুণৰ বাবে দ্বিতীয় তথা তৃতীয় দিনৰ খেল সম্পূৰ্ণভাৱে পৰিত্যক্ত হোৱাৰ পাছত বাংলাদেশে কালি চতুৰ্থ দিনা ২৩৩ ৰানত নিজৰ প্ৰথম ইনিংছ সমাপ্ত কৰে। প্ৰত্যুত্তৰত ভাৰতে ৯ উইকেটৰ বিনিময়ত ২৮৫ ৰান সংগ্ৰহ কৰি প্ৰথম ইনিংছ ঘোষণা কৰে। চতুৰ্থ দিনৰ খেলৰ অন্তত বাংলাদেশে দুই উইকেটৰ বিনিময়ত ২৬ ৰান কৰে। আজি খেলৰ পঞ্চম তথা অন্তিম দিনা বাংলাদেশৰ দলটো ১৪৬ ৰানতে অলআউট হয়। ভাৰতৰ হৈ ৰবিচন্দ্ৰন অশ্বিন, ৰবীন্দ্ৰ জাডেজা আৰু জছপ্ৰীত বুমৰাহে তিনিটাকৈ উইকেট দখল কৰে। জয়ৰ বাবে প্ৰয়োজনীয় ৯৫ ৰানৰ লক্ষ্য ভাৰতে তিনি উইকেটৰ বিনিময়ত পূৰণ কৰি শৃংখলাটোত ২-০ৰে বিজয় সাব্যস্ত কৰে। এই জয়ৰ দ্বাৰা ভাৰতে ২০২৩-২৫ বিশ্ব টেষ্ট চেম্পিয়নশ্বিপত অতিৰিক্ত ১২ পইণ্ট অৰ্জনেৰে পইণ্ট তালিকাৰ শীৰ্ষ স্থান দখল কৰে।

০০০

সমাপ্ত